# এজন সফল মান পালকৰ কথাৰে ...

গোলাঘাট জিলাৰ মেৰাপানীৰ বিজয়পুৰৰ নৰেন ফুকনৰ মনত এটা হেঁপাহৰ জন্ম হৈছিল। মীন পালনৰ জৰিয়তে নিজকে আত্মসংস্থাপিত কৰা আৰু মাছৰ নাটনি দূৰ কৰাৰ। ১৯৭৫ চনতেই নিজৰ বাৰীৰ পাঁচ পুৰা মাটিত এটা পুখুৰী খান্দে। সেই সময়ত অঞ্চলটোৰ লগতে সমগ্ৰ জিলাতেই পৰ্যাপ্ত পৰিমাণৰ মাছ পোৱা গৈছিল। আন খেতি কৰিও ধন অৰ্জন কৰিছিল নৰেন ফুকনে। ব্যস্ত নৰেন ফুকনে পাঁচ বিঘা মাটিৰ বৃহৎ পুখুৰীটোত বিভিন্ন মাছ পালন কৰি আজৰি সময় পাৰ কৰিছিল। সেই সময়ত গোলাঘাটত মীন বিভাগ স্থাপন কৰা হোৱা নাছিল। এই পুখুৰীত মাছ পোহাৰ পাঁচ বছৰৰ পিছত স্থাপন হোৱা গোলাঘাটৰ মীন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে ফুকনৰ পুখুৰীটো পৰিদৰ্শন কৰি বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। ১৯৮৫ চনৰ নগা-আক্ৰমণৰ সময়ত মেৰাপানীৰ অন্যান্য লোকৰ লগতে নৰেন ফুকনৰো বিস্তৰভাৱে ক্ষতি হয়। নগাই ফুকনৰ অন্যান্য ঘৰৰ লগতে মীন পামতো লুণ্ঠন চলাইছিল। আনকি নগাই ধৰি নি ফুট হিলছত আটক কৰি ৰাখিছিল। কিন্তু এদিন সুযোগ আহিলত, পলাই আহি পুণৰ আত্মনিয়োগ কৰে মীন পালনত। ১৯৮৬ চনৰ পৰা ফুকনে মাছ বিক্ৰী কৰিবলৈ আৰম্ভ কৰে। কিন্তু সেই সময়ত মাছ বিক্ৰী কৰাৰ অভিযোগত সামাজিকভাৱে বৰ্জিত হৈছিল ফুকনৰ পৰিয়ালবৰ্গ। ফুকনে নিজস্ব অভিজ্ঞতাৰে পাঁচ পুৰা মাটিৰ বৃহৎ পুখুৰীটো মাজে মাজে পাৰ বান্ধি সাতটা ভাগত ভাগ কৰিলে। পৰৱৰ্তী সময়ত ফুকনে এই মীন পামৰ উপৰি পৃথকে আৰু ১২ টা পুখুৰী খান্দি মীন পাম আৰম্ভ কৰে। ফুকনৰ এনে বৃহৎ মীন সম্ভাৱনীয়তা উৎস দেখি গোলাঘাটৰ সংশ্লিষ্ট মীন বিষয়াই ফুকনৰ মীন পামক বিশ্ব বেংকৰ আঁচনিৰ অন্তৰ্ভূক্ত কৰে। এই পুখুৰীৰ পাৰত ফুকনে উদ্যানশস্য কুঁহিয়াৰ, কল, নেমু, মধুৰি, কমলা আদি ৰোপণ কৰি বছৰি প্ৰায় এক লাখ টকা আহৰণ কৰে। ফুকনে উদ্যানশস্যৰ উপৰি মাছ বিক্ৰী কৰি বছৰি কেবালাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। বিভিন্ন ব্যৱসায়ীয়ে তেওঁৰ ঘৰৰ পৰাই মাছবোৰ কিনি লৈ যায়। এই মাছ ডিব্ৰুগড়, যোৰহাট, তিনিচুকীয়া, ডিফু পৰ্যন্ত পঠোৱা হয়। সময়ে সময়ে নাগালেণ্ড আৰু মণিপুৰলৈকো তেওঁৰ মাছ পঠোৱা হয় বুলি মীন মহলত কাম কৰা কৰ্মচাৰীসকলে জানিবলৈ দিছে।

বৰ্তমান ৭৫ বছৰীয়া নৰেন ফুকনে মীন পামখনৰ উন্নয়ন ঘটাই ইয়াৰ লগতে হাঁহৰ পামো গঢ়ি তুলিছে। ফুকনে জনোৱা মতে, তেখেতৰ এই মীন বিপ্লৱৰ গোলাঘাটৰ মীন সম্প্ৰসাৰণ বিষয়া ধ্ৰুৱজ্যোতি শৰ্মাই বিশেষভাৱে সহযোগিতা আগবঢ়াই আহিছে।